— ০ —

চুটিগল্প আৰু উপন্যাস — ৰূপ বৈচিত্ৰ্য

চুটিগল্প আৰু উপন্যাসৰ মাজত কেইবাটাও আকৃতিগতই নহয়, প্ৰকৃতিগত। উপন্যাসৰ দৰে চুটিগল্পত জীৱনৰ পূৰ্ণাংগৰূপ চিত্ৰাংকন কৰা সম্ভৱপৰ নহয় + ইয়াৰ মাজেদি জীৱনৰ এটা দিশহে বিকশিত হয়। সেইবাবে উপন্যাস বিস্তৃত, চুটিগল্প সংহত; উপন্যাসত পৰিতৃপ্তি, চুটিগল্পত ব্যঞ্জনাৰ অতৃপ্তি। উপন্যাসে পাঠকক সকলো বুজাই দিয়ে, চুটিগল্পই পাঠকক বুজি লবলৈ অৱকাশ দিয়ে। সেয়ে চুটিগল্প আৰু উপন্যাসৰ মাজত ব্যৱধান সুস্পষ্ট। চুটিগল্প আৰু উপন্যাসৰ বাহ্যৰূপ একেই বস্তু হলেও ইয়াৰ মাজতো পাৰ্থক্য লক্ষ্যণীয়। ঘটনাৰ বাছনি, চৰিত্ৰ সংকলন পদ্ধতি, লেখাৰ কৌশল দুয়ো বিধৰে বেলেগ। উপন্যাস এখন চুটিকৈ লিখিলেই চুটিগল্প আৰু চুটিগল্প এটা দীঘলকৈ লিখিলেই উপন্যাস নহয়। দীঘল চুটিৰ কথা এৰি দিলেও আমাৰ চকুত পৰে দুয়ো বিধৰ সাহিত্যলৈ। উপন্যাসত যেনেকৈ বিভিন্ন উপ-কাহিনীৰ সহযোগত মূল কাহিনী পৰিবৰ্ধিত হয়, গল্পত তাৰ কাৰণেতেই নাই। চুটিগল্পত বিভিন্ন উপ-ঘটনা আৰু অপ্ৰাসংগিক বৰ্ণনা কৰিলে, চুটিগল্প হ'ব নোৱাৰে।

হাডচনৰ মতে 'উপন্যাসত অগণন মানুহ বিলাকৰ লগত থাকি তেওঁলোকক ভালকৈ বুজাৰ সময়ত বিভিন্ন দৃষ্টি কোণৰ পৰা বাস্তৱ জীৱন দেখাৰ দৰে তেওঁলোকক চাব পাৰো। ~~কিন্তু~~ কিন্তু চুটিগল্পত আমি মানুহবোৰক কেইমিনিট মানৰ কাৰণে লগ পাওঁ আৰু তেওঁলোকক বিশেষ সুবিধাও পাওঁ দুই-এটা দৃষ্টি কোণৰ পৰাহে।'

মানৱজীৱনৰ বিভিন্নতা আৰু জটিলতা উপন্যাসে ভালকৈ চিত্ৰিত কৰিব পাৰে, কিন্তু গল্পই নোৱাৰে। চৰিত্ৰাংকন আৰু ঘটনা সুন্দৰকৈ বিকাশ কৰাৰ সুবিধাখিনিৰেই উপন্যাসৰ ধৰ্ম। গল্পত চৰিত্ৰবিলাকৰ দীঘল সময় আৰু দীৰ্ঘসীমা পৰিস্থিতিৰ মাজত অৱতাৰণা কৰিব নোৱাৰি। গল্পৰ চৰিত্ৰ ফুটাই তুলিব লাগিব খুব কম সময়ৰ ভিতৰতে। সময় কম, পৰিস্থিতি ঠেক। গল্পত চৰিত্ৰৰ এ বেছি সমাৱেশ হলে বিষয়ৰ [illegible]ৰ দৰে উদুলি মুদুলি হ'ব।

উপন্যাসত জীৱনৰ জটিল আৰু বহুমুখী সমস্যা বিলাকৰ প্ৰতিচ্ছবিৰ লগতে মানুহৰ চৰিত্ৰৰ ক্ৰমপৰিবৰ্তনৰ প্ৰকাশ পাওঁ। কিন্তু চুটিগল্পত সেই সুবিধা নাই। চৰিত্ৰৰ কোনোবা এটা অংশহে চিত্ৰণ পাওঁ। চৰিত্ৰ জীৱনৰ কোনো এটা সংকট মুহূৰ্তত যি প্ৰতিক্ৰিয়া হয় সেই প্ৰতিক্ৰিয়াকে আশ্ৰয় কৰি সংগত ভাৱে ঘটনাৰ বিকাশ হয়। (৫৬)

বেৰী পেইনে কৈছে — 'উপন্যাস এটা ছবি, চুটি গল্প এটি স্কেচ।' উপন্যাসে বহল পৰিসৰৰ মাজত ঘটনা, চৰিত্ৰক কেন্দ্ৰ কৰি সমাজ, যুগ, ৰাজনীতি, অৰ্থনীতি সকলো কথাকে দেখে। গল্পত ঠেক পৰিসৰতহে আবদ্ধ থাকিব লগীয়া হয়। উপন্যাসত পোৱা সকলো বস্তুৰ সমাৱেশ গল্পত পোৱা নাযায়।

চুটিগল্প আৰু উপন্যাসৰ আকৃতি-প্ৰকৃতি আদি বিশ্লেষণ কৰিলে দেখা যায় যে, বিষয়বস্তু দেখাত একে হলেও — ই সাহিত্যৰ দুটা শাখা। একে বিলতে উৎপন্ন হলেও, দেখাত বাহ্যিক সাদৃশ্য থাকিলেও পদুম আৰু ভেটফুলক একে বুলি কোনেও নকয়। গল্প আৰু উপন্যাসৰ ক্ষেত্ৰত একে কথা। পদুম আৰু ভেটৰ উৎপন্ন স্থল যেনেকৈ একে বিলৰ সাৰুৱা মাটি, ঠিক তেনেকৈ গল্প আৰু উপন্যাসৰ উৎপত্তিস্থান মানৱৰ সাংসাৰিক জীৱন। কিন্তু আকৃতি-প্ৰকৃতি বেলেগ।